**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-06-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::**

১। নতুনকৈ কাৰ্যকৰী হ'বলগীয়া ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম আইনে ভাৰতক ঔপনিবেশিক চিন্তাচৰ্চাৰ পৰা মুক্ত কৰিব বুলি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালৰ মন্তব্য।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিছপুৰত সৌৰশক্তি প্ৰকল্প মুকলি। এতিয়াৰে পৰা কেৱল সৌৰ শক্তিৰ দ্বাৰাহে অসম সচিবালয়ৰ কাম-কাজ চলিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। মেঘালয়ৰ লুমছুলমত সংঘটিত ভূমিস্খলনৰ ফলত গুৱাহাটী-শিলচৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথেৰে যাতায়াত ব্যাহত।

৪। বাংগালুৰুত অনুষ্ঠিত মহিলা ক্ৰিকেট শৃংখলাৰ প্ৰথমখন এদিনীয়াত দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ভাৰতৰ ২৬৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ। ***আৰু***

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা ৮ বজাত ফ্লোৰিডাত হ'বলগীয়া এখন খেলত পাকিস্তান, আয়াৰলেণ্ডৰ মুখামুখি।

০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ৰ উদ্যোগত আজি কলকাতাত ফৌজদাৰী ন্যায় প্ৰণালীৰ প্ৰশাসনত ভাৰতৰ প্ৰগতিশীল পথ শীৰ্ষক এখন সন্মিলন অনুষ্ঠিত হয়। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে এই সন্মিলন উদ্বোধন কৰি কয় যে, নতুনকৈ কাৰ্যকৰী হ'বলগীয়া ৩ খন আইনে ভাৰতক ঔপনিবেশিক চিন্তাচৰ্চাৰ পৰা মুক্ত কৰিব। এই তিনিওখন আইন কাৰ্যকৰী হোৱাৰ লগে লগে বিচাৰ প্ৰক্ৰিয়া খৰতকীয়া হোৱাৰ লগতে সমাজৰ পিছপৰা শ্ৰেণীৰ লোকসকলেও সুবিচাৰ লাভ কৰিব। উল্লেখযোগ্য যে, অহা জুলাই মাহৰ পৰা ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ কাৰ্যকৰী হ'ব। ভাষণ প্ৰসংগত অৰ্জুন ৰাম মেঘৱালে কয় যে, নতুন আইন ৩ খনক লৈ একাংশই কিছুমান ভিত্তিহীন অভিযোগ উত্থাপন কৰি আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কোনো বিশেষজ্ঞৰ সৈতে আলোচনা নকৰাকৈ অথবা ৰাজ্যসমূহৰ পৰামৰ্শ নোলোৱাকৈ আইন কেইখন প্ৰণয়ন কৰা বুলি উত্থাপন হোৱা অভিযোগ পোনচাটে নাকচ কৰে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতিয়ে যোৱা ডিচেম্বৰত অনুমোদন জনোৱা এই আইন তিনিখন পহিলা জুলাইৰ পৰা বলৱৎ হ'ব। মন্ত্ৰালয়ে কৈছে যে, এই আইন তিনিখনৰ বিষয়ে জনসাধাৰণ বিশেষকৈ আইন জগতৰ বিশিষ্ট ব্যক্তি, আইন বলৱৎকাৰী সংস্থা, শিক্ষাবিদ আৰু আইন পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি উদ্দেশ্যে আইন পৰিক্ৰমা বিভাগে যোৱা দুমাহত নতুন দিল্লী আৰু গুৱাহাটীত দুখন গুৰুত্বপূৰ্ণ সন্মিলন অনুষ্ঠিত কৰিছে।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম সচিবালয়ত আজি সৌৰশক্তি প্ৰকল্প মুকলি কৰে। এই প্ৰকল্পৰ জৰিয়তে মাহে গড়ে তিনি লাখ ইউনিট বিদ্যুৎ উৎপাদন কৰি প্ৰচলিত শক্তিৰ উৎসৰ ব্যৱহাৰ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্প মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, এই প্ৰকল্পৰ জৰিয়তে অসম সচিবালয়ৰ দেশৰ প্ৰথম সেউজ সচিবালয়ৰূপে পৰিণত হৈছে। এতিয়াৰে পৰা কেৱল সৌৰ শক্তিৰ দ্বাৰাহে অসম সচিবালয়ৰ কাম-কাজ চলিব বুলি তেওঁ প্ৰকাশ কৰে। লগতে তেওঁ কয় যে এই প্ৰকল্পৰ ফলত অসম সচিবালয়ে প্ৰতিমাহে বহন কৰিবলগীয়া ৩০ লাখ টকা বিদ্যুৎ মাচুল ৰাহি হব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, শীঘ্ৰে ৰাজ্যৰ প্ৰধান চিকিৎসালয়, চৰকাৰী কাৰ্যালয়, আৰু বিশ্ববিদ্যালয়ত সৌৰ শক্তিৰ ব্যৱস্থা কৰা হব। ৰাজ্যবাসীক ঘৰত সৌৰশক্তি পেনেল বহাবলৈ তেওঁ আহ্বান জনায়। সৌৰশক্তি ব্যৱহাৰ কৰাৰ লোকক প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ জৰিয়তে চৰকাৰে ৰাজ সাহায্য প্ৰদান কৰিব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, পহিলা জুলাইৰ পৰা মন্ত্ৰী-বিধায়ক আৰু প্ৰথম শ্ৰেণীৰ বিষয়াসকলক ঘৰুৱা বিদ্যুৎ মাচুল নিজে নিজে পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে অহা বছৰৰ পহিলা জুলাইৰ পৰা ৰাজ্যৰ নিম্ন, মধ্যবিত্ত আৰু দুখীয়া লোকৰ বিদ্যুৎৰ মাচুল এক টকাকৈ কমাবলৈ বিদ্যুৎ বিভাগক নিৰ্দেশ দিয়ে। অনুষ্ঠানত শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচাৰ লগতে শক্তি বিভাগৰ বিভিন্ন শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত কেইবাঠাইতো বান পৰিস্থিতিৰ উদ্ভৱ হৈছে। বৰপেটা আৰু তামুলপুৰত উপনৈৰ বাঢ়নি পানীয়ে কেইবাখনো গাওঁ বুৰাই পেলাইছে। বৰপেটা জিলাৰ হাউলিত কৃত্ৰিম বানে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। ইপিনে, তামুলপুৰৰ বৰলীয়া নৈৰ বাঢ়নী পানীয়ে মাজগাড়ী, ৰামেচুবুৰী আদি অঞ্চল প্লাৱিত কৰিছে। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ অন্তৰ্গত গুৱাহাটী-শিলচৰ সংযোগী ৰাষ্ট্ৰীয় ঘাইপথৰ লুমছুলমত পাহাৰৰ শিল আৰু বৃহৎ ভূমিখণ্ড খহি পৰাত ৰাষ্ট্ৰীয় ঘাইপথটোৰে যাতায়াত ব্যাহত হৈ পৰিছে।

ইফালে বতৰ বিজ্ঞান বিভাগে ৰেড এলাৰ্ট জাৰি কৰা লামডিং-বদৰপুৰ পাৰ্বত্য খণ্ডৰ ডিমা হাচাও অঞ্চলৰ মাজেৰে যোৱা ৰে'লপথসমূহত বোকাপানী জমা হৈ ৰে'ল আবদ্ধ হৈ পৰিব বুলি আশংকা কৰি উত্তৰ-পূব সীমান্ত ৰে'লৰে অঞ্চলটোৰ মাজেৰে চলাচল কৰি থকা কেইখনমান ৰে'ল বাতিল কৰিছে। সেই অনুসৰি আজি যাত্ৰা আৰম্ভ কৰিবলগীয়া গুৱাহাটী-শিলচৰ-গুৱাহাটী সংযোগী, দুৰ্ল্লভচেৰা-গুৱাহাটী সংযোগী, শিলচৰ-ৰঙিয়া আৰু নিউ তিনিচুকীয়া-শিলচৰ সংযোগী এক্সপ্ৰেছ ৰে'লগাড়ী ৪খনৰ সেৱা বাতিল কৰা হৈছে।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপনলৈ মাজত মাত্ৰ চাৰিটা দিন বাকী থকা অৱস্থাত দেশৰ অন্যান্য প্ৰান্তৰ লগতে সমগ্ৰ ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত আছে। এইবাৰৰ যোগ দিৱসৰ বিষয় হৈছে- নিজৰ লগতে সমাজৰ বাবে যোগ। ব্যক্তিৰ, শাৰীৰিক, মানসিক সুস্থতা আৰু আধ্যাত্মিক বিকাশৰ লক্ষ্যৰে উদযাপন কৰা যোগ দিৱসৰ সৈতে সংগতি ৰাখি যোগ অনুশীলনৰ শিবিৰ মুকলি কৰাৰ লগতে বিভিন্ন স্থানত যোগৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। ব্যক্তি আৰু সমাজৰ সৰ্বাংগীন কল্যাণৰ বাবে সম্প্ৰতি কেৱল ভাৰততে নহয় বিশ্বজুৰি

যোগৰ গুৰুত্ব সকলোৱে উপলব্ধি কৰিছে। এই সন্দৰ্ভত অসম আয়ুষ অভিযানৰ প্ৰৱন্ধক মানস কমল গগৈয়ে এইদৰে কয়–

-ভইচ-

000000000

মাজুলী বিবেকানন্দ কেন্দ্ৰ বিদ্যালয় প্ৰেক্ষাগৃহত আজি জিলা পৰ্যায়ৰ এখন যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। মাজুলী জিলা প্ৰশাসন, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক আৰু আয়ুষ মাজুলীৰ যৌথ উদ্যোগত অনুষ্ঠিত এই প্ৰতিযোগিতাখন জিলা সহকাৰী আয়ুক্ত তৰালী দাসে উদ্বোধন কৰে। প্ৰতিযোগিতাখনৰ ৪ টা শাখাত মুঠ ৭০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ জুনৰ আন্তৰাষ্ট্ৰীয় যোগ দিৱসৰ পূৰ্বে আজি সামাজিক মাধ্যমযোগে পদ্মহস্তাসনৰ এটা ভিডিঅ' প্ৰচাৰ কৰিছে। ভিডিঅ'টো শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে বিভিন্ন উপকাৰৰ হেতু এই আসনৰ অনুশীলন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। ভিডিঅ' ক্লিপটোত হিন্দী আৰু ইংৰাজী ভাষাত এই আসনৰ বিভিন্ন উপকাৰ আৰু অনুশীলনৰ পদক্ষেপসমূহৰ পুংখানুপুখ ব্যাখ্যা আগবঢ়োৱা হৈছে।

0000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ ৰূপনগৰত নিৰ্মীয়মান অৱস্থাত থকা কামৰূপ মহানগৰ জিলা আয়ুক্ত কাৰ্যালয়টোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। নিৰ্মাণকাৰ্যৰ খতিয়ান লৈ  মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কাৰ্যালয়টো চলিত বছৰৰ শেষৰ ফালে মুকলি কৰা হব বুলি আশা প্ৰকাশ কৰে। তেঁও কয় যে, চলিত বছৰৰ শেষৰ পৰা ৰূপনগৰত নিৰ্মাণ কৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা প্ৰশাসনিক কাম-কাজ আৰম্ভ কৰিব পৰা যাব। বৰ্তমান হেঙেৰাবাৰীৰ কাৰ্যালয়টো দিশপুৰ উপ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ৰূপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীৰ খানাপাৰাত নৱ নিৰ্মীত আৰক্ষী আয়ুক্তৰ কাৰ্যালয়টোও পৰিদৰ্শন কৰে। অহা বছৰৰ ১৫ আগষ্টৰ পূৰ্বে কাৰ্যালয়টোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০২২ চনৰ ১০ মে'ত চাৰি মহলীয়া আৰক্ষী আয়ুক্তৰ কাৰ্যালয়টোৰ আধাৰশিলা স্থাপন কৰিছিল।

ইপিনে, মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত নিৰ্মীয়মান এটা প্ৰেক্ষাগৃহৰ অগ্ৰগতিৰ বুজ লয়।

000000000

ৰাজ্যৰ কেবিনেট মন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাটত ৫০০ গৰাকী দিব্যাংগ লোক আৰু শিশুৰ মাজত শ্ৰবন যন্ত্ৰ, হুইল ছেয়াৰ, হাতেৰে চলোৱা চাইকেল আৰু বেটাৰী চালিত চাইকেল  বিতৰণ কৰে। গোলাঘাট জিলাৰ শিশু সংহত উন্নয়ন প্ৰকল্পৰ সৌজন্যত আৰু বোকাখাট মহকুমা প্ৰশাসনৰ সহযোগত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মন্ত্ৰী শ্ৰীবৰাই দিব্যাংগসকলৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। বোকাখাট বিধানসভা সমষ্টিৰ সকলো দিব্যাংগ লোকক  এই সুবিধা প্ৰদান কৰা হব বুলি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে। ইপিনে, আজিৰ দিনটোতে মন্ত্ৰীগৰাকীয়ে বোকাখাট উচ্চতৰ

মাধ্যমিক  বিদ্যালয় চৌহদত নুমলিগড় তেল শোধানাগাৰৰ সামাজিক উন্নয়ন আঁচনিৰ অধীনত ২ কোটি ৯০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এটা মুকলি প্ৰেক্ষাগৃহ উদ্বোধন কৰে।

oooooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা দলৰ মাজৰ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন এদিনীয়া আজি বাংগালুৰুত অনুষ্ঠিত হৈছে। খেলখনত ভাৰতৰ মহিলা দলটোৱে প্ৰথমে বেটিং কৰি দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ২৬৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। খেলখনত ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৮ টা উইকেট হেৰুৱাই ২৬৫ ৰাণ কৰে। দলৰ হৈ স্মৃতি মান্ধানাই ১১৭ ৰাণ কৰাৰ লগতে দিপ্তী শৰ্মাই ৩৭ আৰু পুজা ভস্ত্ৰাকাৰে ৩১ ৰাণৰ বৰঙণি আগবঢ়ায়।  বাতৰি যুগুতোৱা পৰলৈ দক্ষিণ আফ্ৰিকাই ৬ অভাৰত ২ টা উইকেট হেৰুৱাই ২১ ৰাণ সংগ্ৰহ কৰিছে।

ooooooooo

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ফ্লোৰিডাত হবলগীয়া গ্ৰুপ এৰ এখন খেলত পাকিস্তান, আয়াৰলেণ্ডৰ  বিৰুদ্ধে অৱতীৰ্ণ হব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হব। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ এৰ পৰা ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই চুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰিছে।

ইপিনে, অষ্টেলিয়াই আজি পুৱা প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত স্কটলেণ্ডক ৫ উইকেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই ১৮১ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪ টা বলত ৫টা উইকেট হেৰুৱাই ১৮২ ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ ট্ৰেভিজ হেডে ৪৯ টা বলত ৬৮ ৰাণ কৰে আৰু মাৰ্কাছ্ ষ্টয়নিছে ২৯ টা বলত ৫৯ ৰাণৰ বৰঙণি আগবঢ়ায়। ইয়াৰ আগেয়ে স্কটলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰা নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ১৮০ ৰাণ কৰে। মাৰ্কাছ্ ষ্টয়নিছক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়। আজিৰ খেলখনত পৰাজয়ৰ পাছত স্কটলেণ্ড প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে আৰু ইংলেণ্ডে উন্নত ৰান ৰেটৰ ভিত্তিত চুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰিছে।

oooo

## WEEKLY BULLETIN REVEIW

ৰাজ্যিক কেবিনেটত নিযুত মইনা আঁচনি ৰূপায়ণকে ধৰি কেইবাটাও সিদ্ধান্ত গ্ৰহণ, চলিত বছৰৰ সাহিত্য একাডেমীৰ শিশু পুৰস্কাৰ আৰু যুৱ পুৰস্কাৰ ঘোষণা, কেন্দ্ৰীয় মন্ত্ৰীসভাৰ দপ্তৰ বিতৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

ৰাজ্য চৰকাৰে পূৰ্ব ঘোষিত মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনি ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যোৱা ১২ জুনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয় যে, ৰাজ্যিক মন্ত্ৰীসভাই আজি এই আঁচনিখনক আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰে। এই আঁচনি অনুসৰি একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে মাহে এহেজাৰ টকাকৈ লাভ কৰিব। গৰমৰ বন্ধৰ দুটা মাহক বাদ দি উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ সমগ্ৰ সময়ছোৱাত প্ৰতি মাহৰ ১১ তাৰিখে সংশ্লিষ্ট ছাত্ৰীগৰাকীৰ একাউণ্টত এই ধন সোমাব বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, তিনিবছৰীয়া অথবা

চাৰিবছৰীয়া স্নাতক পাঠ্যক্রমত অধ্যয়ন কৰা ছাত্রীসকলৰ বাবে এই আঁচনিৰ ধনৰ পৰিমান হ'ল এহেজাৰ ২৫০ টকা। আনহাতে বি এড পাঠ্যক্রমকে ধৰি স্নাতকোত্তৰ পাঠ্যক্রমত অধ্যয়ন কৰা প্রতিগৰাকী ছাত্রীয়ে মুখ্যমন্ত্রী নিযুত মইনা আঁচনিৰ অধীনত ২ হাজাৰ ৫০০ টকাকৈ লাভ কৰি বুলিও মুখ্যমন্ত্রী ড০ শৰ্মাই প্রকাশ কৰে। বাল্য বিবাহ ৰোধৰ প্রতি লক্ষ্য ৰাখি এই আঁচনি প্রস্তুত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ৰ কোনো বিবাহিত ছাত্রীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব নোৱাৰিব। উল্লেখযোগ্য যে ৮০০ খন চাহ বাগিচাৰ পথ সংযোগ উন্নত কৰাৰ বাবে মন্ত্রীসভাৰ বৈঠকত ৮০০ কোটি টকাৰ অনুমোদন জনোৱা হয়।

oooooo

চলিত বছৰৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটা অসমীয়া ভাষাত **বিপন্ন বিস্ময় খেল** নামৰ উপ্যানাসৰ বাবে ৰঞ্জু হাজৰিকাই আৰু বড়ো ভাষাত **বুহুমা বৈনীবৰ** নামৰ কাব্য গ্রন্থৰ বাবে ভাৰ্জিন জেক'ভা মছাহাৰীয়ে লাভ কৰিছে। আনহাতে সাহিত্য একাডেমী যুৱ পুৰস্কাৰ অসমীয়া ভাষাত **জাল কটা জুই** গল্প সংকলনৰ বাবে নয়নজ্যোতি শৰ্মালৈ আৰু বড়ো ভাষাত **চাইখ্লাম** নামৰ গল্প সংকলনৰ বাবে SELF MADE ৰাণী বড়োলৈ আগবঢ়োৱা হৈছে। আনহাতে বাংলা ভাষাত **দেৰাজে হলুদ ফুল** শীৰ্ষক কবিতা সংকলনৰ বাবে অসমৰ ছুতপা চক্রৱৰ্তীয়ে যুৱ পুৰস্কাৰ লাভ কৰিছে। সাহিত্য একাডেমীয়ে কালি এই পুৰস্কাৰসমূহ ঘোষণা কৰা।

ooooooo

প্রধানমন্ত্রী নৰেন্দ্র মোদী নেতৃত্বাধীন কেন্দ্রীয় মন্ত্রীসভাৰ দপ্তৰসমূহ যোৱা ১০ জুনত বিতৰণ কৰা হয়। সেই অনুসৰি প্রধানমন্ত্রীয়ে কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি, পেঞ্চন, আনৱিক শক্তি, মহাকাশ, গুৰুত্বপূৰ্ণ সকলো নীতি নিৰ্ধাৰণ আদি বিভাগসমূহ নিজৰ জিম্মাত ৰাখিছে। পূৰ্বৰ দৰে ৰাজনাথ সিঙক প্রতিৰক্ষা, অমিত শ্বাহক গৃহ পৰিক্রমা আৰু সমবায়, নীতিন গাডকাৰীক পথ পৰিবহন আৰু ঘাইপথ, জে পি নাড্ডাক স্বাস্থ্য, পৰিয়াল কল্যাণ, ৰসায়ন আৰু সাৰ, শিৱৰাজ সিং চৌহানক কৃষি আৰু কৃষক কল্যাণ তথা গ্রামোন্নয়ন মন্ত্রালয়ৰ দায়িত্ব দিয়া হৈছে। আনহাতে, পূৰ্বৰ দৰে নিৰ্মলা সীতাৰমনক বিত্ত আৰু কৰ্পৰেট পৰিক্রমা আৰু ড০ এছ জয়শংকৰক বৈদেশিক পৰিক্রমাৰ মন্ত্রালয়ৰ দায়িত্ব অৰ্পন কৰা হৈছে। অসমৰ পৰা সৰ্বানন্দ সোণোৱালে পূৰ্বৰ দৰে বন্দৰ, জাহাজ আৰু জলপথ মন্ত্রালয়ৰ দায়িত্ব লাভ কৰিছে। আনহাতে, ৰাজ্যসভাৰ সাংসদ পবিত্র মাৰ্ঘেৰিটাই বৈদেশিক পৰিক্রমা ৰাজ্যমন্ত্রী আৰু বস্ত্র ৰাজ্যমন্ত্রীৰ দায়িত্ব লাভ কৰিছে। অৰুণাচল পশ্চিম সমষ্টিৰ সাংসদ কিৰেন ৰিজিজুৱে সংসদীয় পৰিক্রমা দপ্তৰৰ দায়িত্ব লাভ কৰিছে।

ডিব্রুগড় জিলাৰ নাহৰকটীয়াৰ জয়পুৰ চাহ বাগিছাত ডায়েৰিয়াত আক্রান্ত ৩৫ জন শ্রমিকৰ ভিতৰত ১০ জন কলেৰাত আক্রান্ত হোৱা বুলি চিকিৎসকে নিশ্চিত কৰাৰ পাছত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই স্বাস্থ্য বিভাগক জৰুৰী নিৰ্দেশ দিছে। ইফালে অঞ্চলটোত ডায়েৰিয়াত আক্রান্তৰ সংখ্যা ৮০ লৈ বৃদ্ধি পাইছে। আক্রান্তসকলক জয়পুৰ চাহ বাগিছা চিকিৎসালয়ত চিকিৎসা প্রদান কৰি থকা হৈছে। উল্লেখযোগ্য যে, ওড়িশা ভ্রমণ কৰি অহা অঞ্চলটোৰ এজন লোক ডায়েৰিয়াত আক্রান্ত হৈ মৃত্যুমুখত পৰাৰ পাছত লোকজনৰ ঘৰত সকামৰ খাদ্য খোৱাৰ পাছতে ৭৫ জন শ্রমিক ডায়েৰিয়াত আক্রান্ত হোৱা বুলি প্রকাশ কৰা হৈছে। স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্রমন নিয়ন্ত্রণ কৰাৰ লগতে বিহিত ব্যৱস্থা গ্রহণ কৰিছে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে নামৰূপ তাপ বিদ্যুৎ প্ৰকল্পৰ সমীপত ২৫ মেগাৱাট ক্ষমতাসম্পন্ন নতুন সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰকল্পটো ১০৮ একৰ মাটি সামৰি স্থাপন কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰকল্পটোৰ বাবে ১১৬ কোটি টকা ৰাজ্য চৰকাৰে ব্যয় কৰিব। প্ৰকল্পটো নিৰ্মাণ কৰোতে ৰাজ্য চৰকাৰৰ লগতে অইল ইণ্ডিয়া লিমিটেডেও সমপৰিমাণৰ ধন ব্যয় কৰিব বুলি তেওঁ কয়। ড০ শৰ্মাই কয় যে, ৰাজ্যত বৰ্তমান সৌৰশক্তি উৎপাদনৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। শীঘ্ৰেই কাৰ্বি আংলঙত এহেজাৰ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

এয়াই আছিল বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা কেইটামান গুৰুত্বপূৰ্ণ বাতৰিত আলোকপাত।০০০০০০০০০০

ঃঃ সমাপ্ত ঃঃ